**30T HIST**

# 2020

# HISTORY

**Full Marks : 100**

**Pass Marks : 30**

**Time : Three hours**

*The figures in the margin indicate full marks for the questions.*

| | |
|---|---|
| *Q. No. 1 carries 1 mark each* | 1×12 = 12 |
| *Q. No. 2 carries 2 marks each* | 2×12 = 24 |
| *Q. No. 3 carries 4 marks each* | 4×10 = 40 |
| *Q. No. 4 carries 6 marks each* | 6×1 = 6 |
| *Q. No. 5 carries 6 marks each* | 6×1 = 6 |
| *Q. No. 6 carries 6 marks each* | 6×1 = 6 |
| *Q. No. 7 carries 6 marks each* | 6×1 = 6 |
| | Total =100 |

*Contd.*

1. Answer the following questions : 1×12=12

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ দিয়া ঃ

*(i)* Name *one* of the grains found at Harappan sites. 1

হৰপ্পা সভ্যতাৰ স্থানসমূহত প্ৰাপ্ত *এবিধ* শস্যৰ নাম লিখা।

*(ii)* Who was the court poet of Gupta Emperor Samudragupta ? 1

গুপ্তসম্ৰাট সমুদ্ৰগুপ্তৰ ৰাজসভাৰ কবিজন কোন আছিল?

*(iii)* Name the famous Sanskrit text written by Shudraka. 1

শূদ্ৰকৰ দ্বাৰা ৰচিত বিখ্যাত সংস্কৃত গ্ৰন্থখনৰ নাম লিখা।

*(iv)* Mention *any one* of the five vows taken by the Jaina monks and nuns. 1

জৈন ভিক্ষু আৰু ভিক্ষুণীসকলে কৰা পাঁচটা অংগীকাৰৰ *যিকোনো এটা* উল্লেখ কৰা।



*(v)* Name the Ahom king to whom the earliest Ahom coins discovered so far belonged. 1

এতিয়ালৈকে আৱিষ্কৃত সৰ্বাধিক পুৰণি আহোম মুদ্ৰাসমূহ কোনজন আহোম ৰজাৰ দিনৰ ?

*(vi)* Who was Pelsaert ? 1

পেলজাৰ্ট কোন আছিল?

*(vii)* Name the first dynasty of the Vijaynagara empire. 1

বিজয়নগৰৰ প্ৰথমটো ৰাজবংশৰ নাম লিখা।

*(viii)* What was *Peshkash* ? 1

পেচকছ কি আছিল?

*(ix)* In which year did the British government abolish the custom of Sati ? 1

কোনচনত বৃটিছ চৰকাৰে সতীদাহ প্ৰথা বিলুপ্ত কৰিছিল?

(x) Who was the political mentor of Mahatma Gandhi? 1

মহাত্মা গান্ধীৰ ৰাজনৈতিক উপদেষ্টাজন কোন আছিল?

(xi) Name the place where the Muslim League was floated. 1

কোন স্থানত মুছলিম লীগ স্থাপিত হৈছিল লিখা।

(xii) Which member of the Constituent Assembly introduced the 'Objectives Resolution'? 1

সংবিধান সভাৰ কোনজন সদস্যই 'কাৰ্যপ্ৰণালী প্ৰস্তাৱনা' (Objectives Resolution) টো উত্থাপন কৰিছিল?

2. Answer the following questions in brief : ( *any twelve* ) 2×12=24

নিম্নলিখিত প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়া ঃ ( *যিকোনো বাৰটাৰ* )

(i) What metals did the Harappans procure from Khetri region of Rajasthan and South India? 2

ৰাজস্থানৰ ক্ষেত্ৰী অঞ্চল আৰু দক্ষিণ ভাৰতৰ পৰা হৰপ্পা সভ্যতাৰ অধিবাসীসকলে কি কি ধাতু সংগ্ৰহ কৰিছিল?



(ii) Name the present Indian state where the Sudarshana lake is located. Who rebuilt it? 2

সুদৰ্শন হ্ৰদটো বৰ্তমান কোনখন ভাৰতীয় ৰাজ্যত আছে লিখা। এইটো কোনে পুনঃনিৰ্মাণ কৰিছিল?

(iii) Define *Exogamy* and *Polyandry*. 2

বহিৰ্বিবাহ আৰু বহুপতি প্ৰথাৰ সংজ্ঞা দিয়া।

(iv) Mention *any two* main teachings of Buddhism. 2

বৌদ্ধ ধৰ্মৰ *যিকোনো দুটা* মূল শিক্ষা উল্লেখ কৰা।

(v) Who was Gomdhar Konwar? Name *one* of his fellow-rebels. 2

গোমধৰ কোঁৱৰ কোন আছিল? তেওঁৰ *এজন* সহযোগী বিদ্ৰোহীৰ নাম লিখা।

(vi) What is *Shari'a*? Mention *any one* of its bases. 2

শ্বৰিয়া মানে কি বুজা? ইয়াৰ *যিকোনো এটা* ভিত্তিৰ নাম উল্লেখ কৰা।

(vii) Mention *two* new features of temple architecture developed in the Vijaynagara empire. 2

বিজয় নগৰ সাম্ৰাজ্যত বিকশিত হোৱা মন্দিৰ স্থাপত্যৰ *দুটা* নতুন বৈশিষ্ট্যৰ বিষয়ে উল্লেখ কৰা।

(viii) Name *any two* Sufi Saints of Medieval India. 2

মধ্যযুগৰ ভাৰতৰ *যিকোনো দু'জন* চুফী সন্ত পুৰুষৰ নাম লিখা।

(ix) Give *two* examples of village artisans in India during the 16th and 17th centuries. 2

ষষ্ঠদশ আৰু সপ্তদশ শতিকাত ভাৰতৰ গ্ৰামাঞ্চলত থকা কাৰিকৰ সকলৰ *দুটা* উদাহৰণ দিয়া।

(x) What were the *two* kinds of the postal systems in India according to Ibn Batuta ? 2

ইবন বটুটাৰ মতে ভাৰতত প্ৰচলিত ডাক ব্যৱস্থা *দুবিধ* কি কি আছিল?

(xi) Mention *two* causes why the zamindars initially failed to pay the land revenue regularly to East India Company as per the Permanent Settlement. 2

চিৰস্থায়ী বন্দৱস্ত অনুসৰি জমিদাৰসকলে আৰম্ভনিতে ইষ্ট ইণ্ডিয়া কোম্পানীক নিয়মীয়াকৈ ভূমি ৰাজহ পৰিশোধ কৰাত কিয় ব্যৰ্থ হৈছিল তাৰ *দুটা* কাৰণ উল্লেখ কৰা।



(xii) Give *two* reasons why the Salt March was considered to be notable. 2

লোণ যাত্ৰা কিয় উল্লেখযোগ্য বুলি বিবেচিত হৈছিল তাৰ *দুটা* কাৰণ দৰ্শোৱা।

(xiii) Mention *two* members of Cabinet Mission. 2

কেবিনেট মিচনৰ *দু'জন* সদস্যৰ নাম উল্লেখ কৰা।

(xiv) Write *two* characteristics of the Indian Constitution. 2

ভাৰতীয় সংবিধানৰ *দুটা* বৈশিষ্ট্য লিখা।

(xv) Define White Town and Black Town 2

শ্বেতনগৰ আৰু কৃষ্ণনগৰ কাক বোলে ?

3. Answer the following questions : ***(any ten)*** 4×10=40

নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ দিয়া : ***(যিকোনো দহটা)***

(i) Explain the pattern of domestic architecture of Mohenjodaro. 4

মহেঞ্জোদাৰোৰ গৃহ স্থাপত্যকলা প্ৰণালী সম্পৰ্কে ব্যাখ্যা কৰা।

(ii) Give a historical outline of Pataliputra. 4

পাটলিপুত্ৰৰ এক ইতিহাসমূলক আভাস দিয়া।

(iii) Which Smriti laid down the duties of the *chandalas* ? What were the duties of a *chandala* according to the text ? 4

কোনখন স্মৃতি শাস্ত্ৰই চণ্ডালসকলৰ কৰ্তব্য নিৰ্ধাৰণ কৰি দিছিল? এই গ্ৰন্থখনৰ মতে চণ্ডালসকলৰ কৰ্তব্যসমূহ কি কি আছিল?

(iv) Write about the features of the Paik system. 4

পাইক প্ৰথাৰ বৈশিষ্ট্যসমূহৰ বিষয়ে লিখা।

(v) Write briefly about the peasant movements in Assam in the latter half of the 19th century. 4

অসমত ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত সংঘটিত কৃষক আন্দোলনসমূহৰ বিষয়ে সংক্ষেপে লিখা।

(vi) Write a note on *Kitab-ul-Hind*. 4

কিতাব-উল-হিন্দৰ ওপৰত এটা টোকা লিখা।

(vii) Explain the religious practices of the Lingayats. 4

লিংগায়তসকলৰ ধৰ্মীয় ৰীতি-নীতিসমূহ ব্যাখ্যা কৰা।



(viii) How did Abu'l Fazl give an account of Akbar's darbar ? 4

আবুল ফজলে কেনেকৈ আকবৰৰ ৰাজসভাৰ বিৱৰণ দিছিল?

(ix) What was 'Damin-i-Koh' ? How was it developed ? 1+3=4

'ডামিন-ই-কোহ' কি আছিল? ইয়াক কেনেকৈ গঢ়ি তোলা হৈছিল?

(x) Discuss about the causes of the Revolt of 1857. 1+3=4

১৮৫৭ চনৰ বিদ্ৰোহৰ কাৰণসমূহ আলোচনা কৰা।

(xi) How did the Indians carry out the programmes of the Quit India Movement ? 4

ভাৰতীয় সকলে ভাৰত ত্যাগ আন্দোলনৰ কাৰ্যসূচীসমূহ কেনেকৈ ৰূপায়িত কৰিছিল?

(xii) Mention *four* mature Harappan sites along with the name of the states which fall within the map of the present Indian territories. 1+3=4

মানচিত্ৰ অনুসৰি বৰ্তমান ভাৰতীয় ভূখণ্ডৰ অন্তৰ্ভুক্ত হোৱা হৰপ্পা সভ্যতাৰ পৈণত পৰ্যায়ৰ *চাৰিখন* স্থানৰ নাম ৰাজ্যসহ উল্লেখ কৰা।

(xiii) What were the views of Mahatma Gandhi on the national language? 4

ৰাষ্ট্ৰীয় ভাষা সম্পৰ্কে মহাত্মা গান্ধিৰ দৃষ্টিভংগী কেনেধৰণৰ আছিল?

4. When and whose reign the Captain Welsh expedition took place in Assam? What were the historical importance of the expedition? 2+4=6

কেতিয়া আৰু কাৰ ৰাজত্বকালত কেপ্তেইন ৱেলছৰ অসম অভিযান সংঘটিত হৈছিল? কেপ্তেইন ৱেলছৰ অসম অভিযানৰ গুৰুত্ব কি কি আছিল?

*Or / অথবা*

When and between whom the treaty of Yandaboo was signed? Discuss the historical importance of the treaty of Yandaboo. 2+4=6

কেতিয়া আৰু কাৰকাৰ মাজত ইয়াণ্ডাবু সন্ধি স্বাক্ষৰিত হৈছিল? ইয়াণ্ডাবু সন্ধিৰ ঐতিহাসিক গুৰুত্ব আলোচনা কৰা।

5. Who was Alberuni? Write a short note on Alberuni. 1+5=6

আলবেৰুনী কোন আছিল? আলবেৰুনীৰ উপৰত এটি চমু টোকা যুগুত কৰা।



*Or / অথবা*

Who was Ibn Batuta? Briefly discuss about Ibn Batuta's accounts on India. 1+5=6

ভাৰতবৰ্ষৰ ওপৰত ইবন বটুটাই লিখা টোকাৰ উপৰত এটি চমু আলোচনা কৰা।

6. (a) "Fort St. George became the nucleus of the White Town where most of the Europeans lived. Walls and bastions made this a distinct enclave. Colour and religion determined who was allowed to live within the fort. The Company did not permit any marriages with Indians. Other than the English, the Dutch and Portugese were allowed to stay here because they were European and Christian. The administrative and judicial systems also favoured the white population. Despite being few in numbers the Europeans were the rulers and the development of Madras followed the needs and convenience of the minority in the town".

(i) Who were in majority in Madras? 1

(ii) What were the main bases to live at Fort St. George? 2

(iii) How did the practices in Madras reflect racial discrimination in favour of the white population? 3

"ছেন্ট জৰ্জ দুৰ্গটো সৰ্বাধিক সংখ্যক ইউৰোপীয় লোকে বাস কৰা শ্বেতাংগ নগৰখনৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। দেৱাল আৰু বুৰুজবোৰে ইয়াক এক সুকীয়া ক্ষেত্ৰত পৰিণত কৰিছিল। দুৰ্গৰ ভিতৰত বসবাস কৰিবলৈ কোনে অনুমতি লাভ কৰিব সেইটো একোজন ব্যক্তিৰ দেহৰ বৰণ আৰু ধৰ্মই নিৰূপণ কৰিছিল। কোম্পানীয়ে ভাৰতীয় সকলৰ লগত বিবাহৰ অনুমতি প্ৰদান কৰা নাছিল। ইংৰাজ সকলৰ বাহিৰে ওলন্দাজ আৰু পৰ্তুগীজসকল ইউৰোপীয় আৰু খৃষ্টান হোৱা হেতু তেওঁলোকক তাত থাকিবলৈ অনুমতি দিয়া হৈছিল। প্ৰশাসনীয় আৰু ন্যায়িক ব্যৱস্থাসমূহেও শ্বেতাংগ জনগণক অনুগৃহীত কৰিছিল। সংখ্যালঘু হোৱা সত্বেও ইউৰোপীয় সকল শাসনাধিষ্ঠিত আছিল আৰু সংখ্যালঘু শ্বেতাংগ সকলৰ সুবিধা আৰু প্ৰয়োজন অনুসৰি মাদ্ৰাজৰ উন্নয়ন সাধন কৰা হৈছিল।"

(i) মাদ্ৰাজত সংখ্যাগৰিষ্ঠসকল কোন আছিল?

(ii) ছেন্ট জৰ্জ দুৰ্গত বাস কৰাৰ প্ৰধান ভিত্তি কি কি আছিল?

(iii) মাদ্ৰাজত প্ৰচলিত ব্যৱস্থাসমূহে শ্বেতাংগ জনগণৰ বাবে কৰা পক্ষপাতিত্বৰ কেনেদৰে প্ৰতিফলন ঘটাইছিল?



*Or / অথবা*

(b) "From the mid eighteenth century, there was a new phase of change. Commerical centres such as Surat, Masulipatanam and Dhaka, which had grown in the seventeenth century, declined when trade shifted to other places. As the British gradually acquired political control after the Battle of Plassey in 1757, and the trade of the English East India Company expanded, colonial port cities such as Madras, Calcutta and Bombay rapidly emerged as the new economic capitals. They also became centres of colonial administration and military power. New buildings and institutions developed, and urban spaces were ordered in new ways. New occupations developed and people flocked to these colonial cities. By about 1800, they were the biggest cities in India in terms of population."

(i) Why did the commercial centres decline which grew in the seventeenth century? 1

(ii) What were the causes of the emergence of the new economic capitals? 2

(iii) What were the characters of the newly emerged cities? 3

"অষ্টাদশ শতিকাৰ মাজভাগৰ পৰা পৰিৱৰ্তনৰ এটা নতুন পৰ্যায় আৰম্ভ হৈছিল। ব্যৱসায়-বাণিজ্য অন্যান্য ঠাইলৈ স্থানান্তৰিত হোৱাত সপ্তদশ শতিকাত গঢ়ি উঠা চুৰাট, মছুলিপটনম আৰু ঢাকাৰ দৰে বাণিজ্যিক কেন্দ্ৰ সমূহৰ অৱনতি ঘটিল। ১৭৫৭ চনৰ পলাশীৰ যুদ্ধৰ পিছৰ পৰা বৃটিশসকলে ক্ৰমান্বয়ে ৰাজনৈতিক নিয়ন্ত্ৰণ আহৰণ কৰিলে। তদুপৰি ইংৰাজ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ব্যৱসায়-বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিল। এইবোৰৰ লগে লগে নতুন অৰ্থনৈতিক ৰাজধানীৰূপে মাদ্ৰাজ, কলিকতা আৰু বোম্বেৰ দৰে ঔপনিবেশিক বন্দৰ মহানগৰৰ দ্ৰুত উত্থান ঘটিল। ইহঁত ঔপনিবেশিক প্ৰশাসন আৰু সামৰিক শক্তিৰো কেন্দ্ৰস্থল হৈ পৰিল। নতুন নতুন ঘৰ-দুৱাৰ আৰু অনুষ্ঠান প্ৰতিষ্ঠান সমূহ গঢ় লৈ উঠিল আৰু নগৰীয়া অঞ্চলসমূহ নতুন ৰূপত শৃঙ্খলিত কৰি তোলা হ'ল। ন ন বৃত্তি গঢ়ি উঠিল আৰু এই ঔপনিবেশিক মহানগৰসমূহলৈ দলে দলে মানুহৰ আগমন ঘটিল। ১৮০০ চন মানলৈ জনসংখ্যাৰ ফালৰ পৰা এইবোৰ ভাৰতৰ বৃহত্তম মহানগৰত পৰিণত হ'ল।"

*(i)* সপ্তদশ শতিকাৰ গঢ়ি উঠা বাণিজ্যিক কেন্দ্ৰসমূহৰ কিয় অৱনতি ঘটিছিল?

*(ii)* নতুন অৰ্থনৈতিক ৰাজধানীসমূহৰ উত্থানৰ কাৰণবোৰ কি কি আছিল?

*(iii)* নতুনকৈ গঢ় লৈ উঠা মহানগৰসমূহৰ বৈশিষ্ট্যবোৰ কি কি আছিল।



7. Answer the following questions : 6

নিম্নলিখিত প্ৰশ্নটোৰ উত্তৰ দিয়া ঃ

*(a)* Draw a map of India and identify the locations of the following major Buddhist sites : Sarnath, Amaravati and Sanchi.

ভাৰতৰ এখন মানচিত্ৰ অংকন কৰি গুৰুত্বপূৰ্ণ বৌদ্ধ ধৰ্মীয়স্থল : সাৰনাথ, অমৰাৱতী আৰু সাঁচিৰ ভৌগোলিক অৱস্থান চিহ্নিত কৰা।

***Or / অথবা***

*(b)* Draw a map of India and identify the locations of *any three* great Mahajanapadas. 3+3=6

ভাৰতৰ এখন মানচিত্ৰ অংকন কৰি *যিকোনো তিনিখন* প্ৰধান মহাজনপদৰ ভৌগোলিক অৱস্থান নামসহ চিনাক্ত কৰা।

———×———